I/143360/2023

অসম চৰকাৰ

জিলা আয়ুক্তৰ কাৰ্য্যালয় ::: গোৱালপাৰা

**নিবিদা জাননী**

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হয় যে গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত চৰকাৰী পঞ্জীয়নভূক্ত ১৫/৬৫ গেৰুৱা কামাৰপোতা মীন মহলৰ ডিচেম্বৰ,২০২৩ ইং তাৰিখে ম্যাদ উকলি যোৱাত উক্ত মীন মহলটোৰ পুনঃ পত্তনৰ বাবে নিবিদা আহ্বান কৰা হ'ল ।

চৰকাৰৰ বৰ্তমান নিয়মাৱলী অনুযায়ী উক্ত মীন মহলৰ বছৰি নুন্যতম ৰাজহ ১,৯৪,৭০০.০০ (এক লাখ চৌৰানব্বৈ হাজাৰ সাতশ) টকা ধাৰ্য কৰা হৈছে ।

এই নিবিদাসমূহ অতিঃ জিলা আয়ুক্ত (ৰাজহ ) ৰ কাৰ্য্যালয় কক্ষত অহা ৩০/০১/২০২৪ ইং তাৰিখৰ দিনৰ ৩.০০ বজালৈ গ্ৰহণ কৰা হ'ব আৰু উক্ত তাৰিখৰ দিনৰ ৩.০০ বজাত নিবিদাসমূহ খোলা হ'ব ।

মীনমহল পত্তনৰ চৰ্ত্ত সমূহ তলত উল্লেখ কৰা হল ।

চৰ্ত্তসমূহ-

১। মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্ম-সহায়ক গোট, NGO তথা ব্যক্তিগত মাছমৰীয়াক যোগ্যতাৰ ভিত্তিত নিবিদাযোগে নিৰ্বাচিত কৰি ৬০% শ্ৰেণীভূক্ত মীনমহলটো ৭ বছৰৰ বাবে পত্তন দিয়া হ'ব।

২। এশ শতাংশ অনুসূচীত জাতিৰ লোকেৰে গঠিত বা বৰাক উপত্যাকাৰ মাইমল সম্প্ৰদায়ৰ প্ৰকৃত মাছমৰীয়া লোকেৰে গঠিত পঞ্জীকৃত সমবায় সমিতি (Assam Co-operative Societies Act, 1949) নাইবা অনুসূচীত জাতিৰ বৃত্তিৰ মাছমৰীয়া লোক, আত্মসহায়ক গোট, NGO আৰু মীন পালক আদিয়ে নিবিদা দাখিল কৰিব পাৰিব। নিবিদাকাৰী গোৱালপাৰা জিলাৰ আৰু মীন মহলখনৰ ওচৰ-চুবুৰীয়া হ'ব লাগিব ।

৩। নিবিদা জিলা আয়ুক্ত কাৰ্য্যালয়তহে নিৰ্দ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হ'ব ।

৪। ইচ্ছুক নিবিদাকাৰীয়ে ৩০/০১/২০২৪ ইং তাৰিখৰ দিনৰ ৩.০০ বজালৈ কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্দ্ধাৰিত নিবিদা বাকচত জমা দিব পাৰিব । নিৰ্দ্ধাৰিত সময়ৰ পিচত কোনো নিবিদা গ্ৰহণ কৰা নহ'ব। নিবিদা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত প্ৰয়োজনীয় তথ্য-পাতি সহ পূৰণ কৰি নিবিদাসহ তলত উল্লেখ কৰা প্ৰমাণ পত্ৰসমূহ সংলগ্ন কৰি জমা দিব লাগিব ।

(ক) নিবিদাকাৰীয়ে মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্মসহায়ক গোট, এন.জি.ও.তথা ব্যক্তিগত মাছমৰীয়াজনক জিলা মীন উন্নয়ন বিষয়া গোৱালপাৰাৰ পৰা প্ৰদান কৰা মাছ ধৰাৰ অভিজ্ঞতাৰ প্ৰমাণ পত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব আৰু উক্ত প্ৰমাণ পত্ৰত উল্লেখিত সমিতি, গোট, এন.জি.ও. আদিৰ সকলো সদস্য তথা ব্যক্তিগত মাছমৰীয়াজনৰ মাছ ধৰাৰ আৰু লগতে তাৰ লগত জড়িত আনুসংগিক কাৰ্য্যকলাপৰ অভিজ্ঞতা থকা বুলি উল্লেখ থাকিব লাগিব। প্ৰমাণ পত্ৰখনত তেওঁলোক কেৱল সেই কৰ্মৰ ওপৰতে নিৰ্ভৰশীল বুলি উল্লেখ থাকিব লাগিব ।

(খ) সংশ্লিষ্ট জিলা আয়ুক্ত মহোদয়ৰ অধীনস্থ বাকীজাই কৰ্তৃপক্ষৰ পৰা মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্মসহায়ক গোট, এন.জি.ও. তথা ব্যক্তিগত মাছমৰীয়াজনে বাকীজাই মুক্ত প্ৰমাণ-পত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব । উক্ত প্ৰমাণ পত্ৰখন কেৱল সমিতি খনৰ নামতহে থাকিব লাগিব, সমিতিৰ কোনো বিষয়াৰ নামত থাকিব নালাগিব ।

(গ) মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্মসহায়ক গোট, এন.জি.ও. তথা ব্যক্তিগত মাছমৰীয়াই, সমবায় সমিতিৰ সহকাৰী পঞ্জীয়ক, গোৱালপাৰাৰ এশ শতাংশ প্ৰকৃত মাছমৰীয়াৰ প্ৰমাণপত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব আৰু উক্ত প্ৰমাণ পত্ৰত উল্লেখিত সমবায় সমিতি,আত্মসহায়ক গোট, এন.জি.ও. আদিৰ সকলো সদস্য তথা ব্যক্তিগত মাছমৰীয়া জন অনুসূচিত জাতিৰ লোক বুলি উল্লেখ থাকিব লাগিব । অনুসূচীত জাতি / মাইমল সম্প্ৰদায়ৰ লোক হোৱাৰ প্ৰমাণ পত্ৰ ।

(ঘ) চৰকাৰৰ প্ৰথম বছৰৰ ৰাজহৰ ন্যূনতম ধাৰ্য্য মূল্যৰ ১৫% ৰাজহ আমানত ধন হিচাপে কল ডিপোজিত আকাৰত জমা দিব লাগিব ।

(ঙ) সংশ্লিষ্ট কৰ্তৃপক্ষই সমবায় সমিতি, আত্মসহায়ক গোট, এন.জি.ও. আদিক প্ৰদান কৰা পঞ্জীয়ন প্ৰমাণ পত্ৰ । এই প্ৰমাণ পত্ৰ খন নিবিদা জমা দিয়া সময়লৈকে আদ্যবধিকৰণ/ নবীকৰণ থকা হ'ব লাগিব।

(চ) আয়কৰ মুক্ত প্ৰমাণ পত্ৰ ।

(ছ) মাছ মৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্মসহায়ক গোট, এন.জি.ও. আদিৰ সভাপতি/ সম্পাদকৰ তথা ব্যক্তিগত মাছমৰীয়াজনৰ দুইকপি প্ৰত্যায়িত ফটোকপি (পাছপোৰ্ট ছাইজ) নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব ।

(জ) সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.ও. তথা ব্যক্তিগত মাছমৰীয়াজনে ক্ৰমানুসাৰে পূৰ্বৰ তিনি বছৰৰ উৰ্দ্ধৃত পত্ৰ (Balance Sheet) আৰু লাভ লোকচানৰ হিচাপৰ কপি জমা দিব লাগিব। উক্ত কপিটো সমবায় সমিতিৰ ক্ষেত্ৰত সমবায় বিভাগৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা আৰু এন.জি.ও.ৰ ক্ষেত্ৰত পঞ্জীকৃত হিচাপ পৰীক্ষকৰ দ্বাৰা সত্যতা প্ৰমাণিত হ'ব লাগিব ।

(ঝ) মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্মসহায়ক গোট, এন.জি.ও. তথা ব্যক্তিগত মাছ মৰীয়া জনে সংশ্লিষ্ট চক্ৰ বিষয়াৰ পৰা মীন মহল খনৰ ওচৰ-চুবুৰীয়াৰ প্ৰমাণ পত্ৰ নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব আৰু উক্ত প্ৰমাণ পত্ৰ খনত নিবিদা আহ্বান কৰা মীন মহল খনৰ পৰা উল্লেখিত সমবায় সমিতি, আত্মসহায়ক গোট, এন.জি.ও. তথা ব্যক্তিগত মাছমৰীয়া জনৰ নিৰ্দ্দিষ্ট দূৰত্বৰ বিষয়ে স্পষ্টকৈ উল্লেখ থাকিব লাগিব ।

(ঞ) মাছ মৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় সমিতি, আত্মসহায়ক গোট, এন.জি.ও. তথা ব্যক্তিগত মাছমৰীয়া জনে আয়কৰ কৰ্তৃপক্ষৰ পৰা তেওঁলোকৰ নামত থকা "পান কাৰ্ড" (PAN CARD) নিবিদাৰ লগত সংলগ্ন কৰি জমা দিব লাগিব । সমিতিৰ কোনো বিষয়াৰ ব্যক্তিগত "পান কাৰ্ড" গ্ৰহণযোগ্য নহ'ব।

(ট) ১০.০০ টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ/ বেংকাৰ্চ চেক/ বেংক ড্ৰাফ্ট ।

(ঠ) সমিতি / গোটৰ সদস্য বৃন্দৰ নাম, বয়স ও সঠিক ঠিকানাৰ তালিকা (মোবাইল নং সহ)।

৫। মোহৰযুক্ত বন্ধ খামৰ ওপৰত অনুজ্ঞা-পত্ৰ পাব বিচৰা মীন মহলৰ নাম উল্লেখ কৰি, নিম্নস্বাক্ষৰকাৰীৰ কাৰ্য্যালয়ৰ নিৰ্দ্ধাৰিত বাকচত জমা দিব লাগিব ।

৬। নিবিদাসমূহ নিবিদাকাৰী নতুবা তেওঁলোকৰ প্ৰতিনিধিৰ উপস্থিতিত আৰু নিবিদা গ্ৰহণ কৰাৰ সময় উকলি যোৱাৰ পিচত উক্ত দিনাই খোলা হ'ব ।

৭। নিৰ্বাচিত নিবিদাকাৰীয়ে প্ৰথম বছৰৰ নিৰ্দ্ধাৰিত মূল ৰাজহৰ ১৫ শতাংশ ৰাজহ প্ৰথম কিস্তিৰ ৰাজহ হিচাপে প্ৰস্তাৱ আগবঢ়োৱাৰ দহ দিনৰ ভিতৰত আদায় দিব লাগিব । অন্যথা প্ৰস্তাৱ বাতিল হোৱা বুলি গণ্য কৰা হ'ব আৰু পিছত উপযুক্ত নিবিদাকাৰীলৈ প্ৰস্তাৱ দিয়া হ'ব । তদুপৰি আমানত ধন বাজেয়াপ্ত হ'ব ।

৮। তলত দিয়াৰ দৰে বাৰ্ষিক ৰাজহৰ কিস্তি আদায় দিব লাগিব-

(ক) ২৫% ................................ ১৫ ডিচেম্বৰ ।

(খ) ৫০% ................................ ১৫ জানুৱাৰী ।

(গ) ২৫% ................................ ১৫ ফেব্ৰুৱাৰী ।

৯। নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ৰাজহৰ কিস্তি আদায় দিব নোৱাৰিলে নিৰ্বাচিত নিবিদাকাৰীৰ দায়িত্ব আৰু দায়বদ্ধতাত অনুজ্ঞা পত্ৰ বাতিল হ'ব আৰু নিৰ্দ্ধাৰিত নিবিদাকাৰীৰ আমানত ধন বাজেয়াপ্ত কৰা হ'ব। অথবা চৰকাৰে ইচ্ছা কৰিলে সেই নিবিদা বাতিল নকৰি বিলম্বৰ বাবে অতি বেছি এমাহৰ বাবে সময় দি বছৰি ২৫ শতাংশ সুত জৰিমনা আৰোপ কৰাৰ অধিকাৰ থাকিব । দীৰ্ঘ ম্যাদীত মীন মহলৰ বিপৰীতে জমা থকা আমানত ধন মীন মহল অপৰিস্কাৰ কৰি ৰাখিলে বাজেয়াপ্ত মীন মহল পৰিস্কাৰ কৰা কামত চৰকাৰে ব্যৱহাৰ কৰিব পাৰিব।

১০। মীন মহলৰ পৰা ধৃত মাছৰ কিছু অংশ চৰকাৰৰ দ্বাৰা অনুমোদিত এজেন্টৰ ওচৰত অথবা নিৰ্দ্ধাৰিত স্থানত সময়ে সময়ে দিয়া নিৰ্দেশমতে বিক্ৰী কৰিবলৈ মহলদাৰ বাধ্য থাকিব ।

১১। অনুজ্ঞা-প্ৰাপ্তিয়ে মীন মহলৰ মথাউৰি আৰু নলাৰ কোনো ক্ষতি কৰিব নোৱাৰিব নতুবা কোনো নতুন মথাউৰি বান্ধিব নোৱাৰিব বা নলা, খাৰৈ বান্ধিব নোৱাৰিব বা বিলৰ পাৰ চৰকাৰৰ অনুমতি নোলোৱাকৈ ওখ কৰিব নোৱাৰিব নতুবা কোনো ডিনামাইটৰ প্ৰয়োগ কৰি বা কোনো বিষাক্ত পদাৰ্থেৰে মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব নতুবা মীন মহলৰ পৰা পানী সিঁচি বা মাছ ধৰাৰ বাবে কোনো পানী মেটেকা উদ্ভিদ ব্যৱহাৰ কৰিব নোৱাৰিব নতুবা মীন মহলৰ ক্ষতি সাধন কৰিব পৰা কোনো কাৰ্য্য কৰিব নোৱাৰিব। মীন মহলত হোৱা নিকৰী (মোখনা) জাতীয় কোনো উদ্ভিদৰ ওপৰত অনুজ্ঞা-প্ৰাপ্তিৰ অধিকাৰ নাথাকিব আৰু মীন মহলত হোৱা এনে জাতীয় উদ্ভিদ বিক্ৰি কৰা বা উঠোৱা ব্যৱস্থা লোৱাৰ অধিকাৰ চৰকাৰৰ হাতত থাকিব।মীন মহল খনৰ দৈনিক ৰক্ষনা-বেক্ষণ পৰিচৰ্য্যা কৰাৰ দায়িত্ব অনুজ্ঞা-প্ৰাপ্তিৰ হাতত থাকিব আৰু সেই মতেই কাম কৰিব লাগিব।

১২। মীন মহলৰ জৰীপ কাৰ্য্য চলোৱা আৰু মীন মহলত প্ৰৱেশ কৰি তথ্য-পাতি সংগ্ৰহ কৰা, পঞ্জীয়ন বহী আৰু অন্যান্য যন্ত্ৰ-পাতি পৰীক্ষা কৰি প্ৰয়োজন বোধে মীন বিভাগৰ বিষয়াই জব্দ কৰিব পাৰিব। এই ক্ষেত্ৰত কিবা অনিয়ম ধৰা পৰিলে ৫০০.০০ টকা বা চৰকাৰে সময়ে সময়ে ধাৰ্য্য কৰা মতে জৰিমনা বিহিব পাৰিব। এই ক্ষেত্ৰত অনুজ্ঞা-প্ৰাপ্তিয়ে চৰকাৰক সকলো ধৰণৰ সহায়-সহযোগিতা আৱশ্যক অনুযায়ী আগবঢ়াবলৈ বাধ্য থাকিব। এই সময়ত অনুজ্ঞা-প্ৰাপ্তিয়ে মীন মহলৰ উন্নয়ণ মূলক কাম-কাজ চৰকাৰৰ অনুমতি সাপেক্ষে কৰিব পাৰিব ।

১৩। অনুজ্ঞা-প্ৰাপ্তিয়ে বাৰ্ষিক আয়ৰ ১৫ শতাংশ ধন চৰকাৰৰ অনুমোদন সাপেক্ষে গুণগত মাছ পোনা প্ৰতিপালনকে ধৰি বিলৰ অন্যান্য উন্নয়নমূলক কামত ব্যয় কৰিব লাগিব । আনহাতে, মীনমহলৰ পাৰত গছ-পুলি লগোৱাটো বাধ্যতামূলক হ'ব । অনুজ্ঞা-প্ৰাপ্তিয়ে হাঁহ-কুকুৰা, ছাগলী আদি নিজস্ব ওপৰঞ্চি আয় বৃদ্ধি আৰু আদৰ্শগত পালকৰ বাবে কৰিব লাগিব ।

১৪। প্ৰাকৃতিক দুৰ্যোগ, খৰাং বতৰ, বানপানী নতুবা মাছৰ বেমাৰ বা বল-পূৰ্বক ভাৱে অন্য লোকে মাছধৰা,চুৰি হোৱা, বিষক্ৰিয়াৰ দৰে দূৰ্ঘটনা জনিত কোনো কাৰণত ৰাজহ দিব নোৱাৰাৰ আবেদন চৰকাৰে বিবেচনা নকৰিব।

১৫। অনুজ্ঞা-প্ৰাপ্তিয়ে মাছ ধৰা কাৰ্য্যত চৰকাৰৰ নীতি-নিয়ম অনুসৰি অনুসূচিত জাতিৰ প্ৰকৃত মাছ মৰীয়া লোক নিয়োগ কৰিব লাগিব আৰু মাছমৰীয়া লোকৰ তালিকা চৰকাৰৰ ওচৰত লিখিত ভাৱে জনাব লাগিব ।

১৬। অনুজ্ঞা-প্ৰাপ্তিয়ে প্ৰথম বছৰৰ ৰাজহৰ ১৫ শতাংশ কল ডিপোজিত যোগে নিবিদাসহ আমানত ধন হিচাপে জমা দিব লাগিব আৰু উক্ত আমানত ধন পিচত মোকোলাই দিয়া হ'ব যদিহে চুক্তিৰ সকলো চৰ্তাৱলী পালন কৰে । এবছৰতকৈ অধিক সময়ৰ বাবে অনুজ্ঞা-পত্ৰ পোৱা নিবিদাকাৰীৰ আমানত ধন দ্বিতীয় বছৰৰ আমানত বুলি গণ্য কৰা হ'ব, যদিহে দ্বিতীয় বছৰৰ বাবে মীন মহল খন চলোৱাৰ অনুজ্ঞা-পত্ৰ পোৱাৰ বাবে নিৰ্বাচিত হয়। দ্বিতীয় বছৰৰ বাবে ধাৰ্যিত ন্যূনতম ৰাজহৰ ভিত্তিত যদি ১৫ শতাংশ অতিৰিক্ত আমানত ধন প্ৰয়োজন হয়, তেতিয়া অতিৰিক্ত আমানত ধন খিনি প্ৰতি বছৰৰ মাৰ্চ মাহৰ ১৫ তাৰিখৰ আগতে ওপৰত উল্লেখ কৰা ধৰণে ক'ল ডিপোজিত হিচাপে জমা দিব লাগিব। অন্যথা পৰৱৰ্তী বছৰৰ বাবে অনুজ্ঞা বিবেচনা কৰা নহ'ব । আমানত ধন কোনো কাৰণতেই ৰাজহৰ কিস্তিৰ লগত সংযোজন কৰা নহ'ব। এই ধন মীন মহল ঠিক মতে পৰিচালনা কৰাৰ প্ৰমাণ সাব্যস্ত নহ'লে বাজেয়াপ্ত হ'ব ।

১৭। অনুজ্ঞা-প্ৰাপ্তিয়ে চুক্তিৰ কোনো চৰ্ত উলংঘা কৰিলে চৰকাৰক জমা দিয়া আমানত ধন বাজেয়াপ্ত কৰা হ'ব তথা পৰৱৰ্তী বছৰৰ বাবে অনুজ্ঞা-পত্ৰ দিয়া নহ'ব । অকৃতকাৰ্য্য নিবিদাকাৰী আমানতৰ ধন নিবিদা চূড়ান্ত হৈ যোৱাৰ পিছত ঘূৰাই দিয়া হ'ব । দীৰ্ঘম্যাদী মীনমহলৰ বিপৰীতে জমা আমানতৰ ধন মীন মহল অপৰিস্কাৰকৈ ৰাখিলে বাজেয়াপ্ত কৰি মীন মহল পৰিস্কাৰ কৰা কামত চৰকাৰে ব্যৱহাৰ কৰিব পাৰিব আৰু ইয়াৰ বাবে চৰকাৰে অনুজ্ঞা-প্ৰাপ্তিৰ অনুজ্ঞা বাতিল কৰাৰ অধিকাৰ থাকিব। মীন মহলৰ পানীকালি, মেটেকা আদি জলজ উদ্ভিদৰ পৰা পৰিস্কাৰ কৰাৰ সাপেক্ষে পৰৱৰ্তী বছৰৰ পত্তন নবীকৰন কৰা হ'ব ।

১৮। অনুজ্ঞা-প্ৰাপ্তিয়ে মীন মহলৰ ঘৰ, গছ-গছনি, দমকল আদি সম্পত্তিৰ ওপৰত কোনো ধৰনৰ অধিকাৰ দাবী কৰিব নোৱাৰিব।

১৯। অনুজ্ঞা-প্ৰাপ্তি আৰু চৰকাৰৰ মাজত বা অনুজ্ঞা-প্ৰাপ্তি আৰু কোনো তৃতীয় পক্ষৰ মাজত কোনো বিবাদ বা দাবী উত্থাপন হ'লে বিষয়টো নিষ্পত্তিৰ বাবে বিভাগৰ সঞ্চালকৰ সিদ্ধান্তৰ বাবে আবেদন কৰিব পাৰিব। সঞ্চালকৰ সিদ্ধান্তৰ ওপৰত সন্তুষ্ট নহ'লে বিভাগীয় আয়ুক্ত/সচিবৰ বিবেচনাৰ বাবে আবেদন জনাব পাৰিব। এই ক্ষেত্ৰত আয়ুক্ত/সচিবৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

২০। অনুজ্ঞা-পত্ৰৰ ম্যাদৰ সময়ছোৱাৰ ভিতৰত চৰকাৰে মীনমহলৰ উন্নয়ন কৰাৰ অধিকাৰ থাকিব আৰু ইয়াৰ বাবে অনুজ্ঞা-প্ৰাপ্তিয়ে ৰাজহ ৰেহাই দাবী/ অধিকাৰ নাথাকিব আৰু উক্ত কামত বাধা দিব নোৱাৰিব।

২১। অনুজ্ঞা-প্ৰাপ্তিয়ে মীনমহলৰ মৎস্য উৎপাদন বৃদ্ধিৰ বাবে লোৱা ব্যৱস্থা আৰু লগতে মীন মহল খনত ধৃত মাছৰ আয় উৎপাদনৰ হিচাপ প্ৰতি মাহে লিখিতভাৱে চৰকাৰক জনাই থাকিব লাগিব।

২২। নিৰ্ব্বাচিত নিবিদাকাৰীয়ে মীন মহল চলোৱাৰ অনুজ্ঞা-পত্ৰ লোৱাৰ আগে আগে চৰকাৰৰ লগত চুক্তিবদ্ধ হ'ব লাগিব। প্ৰতি বছৰে বেলেগ চুক্তিবদ্ধ হ'ব লাগিব।

২৩। চৰকাৰৰ কোনো কাৰণ নদৰ্শোৱাকৈ যিকোনো নিবিদা গ্ৰহণ বা প্ৰত্যাহাৰ কৰাৰ অধিকাৰ থাকিব আৰু চৰকাৰৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

২৪। অনুজ্ঞা-প্ৰাপ্তিৰ কোনো বছৰৰ কাৰ্য্য পন্থা চুক্তি মতে সন্তোষজনক নহ'লে পৰৱৰ্তী বছৰৰ বাবে অনুজ্ঞা প্ৰাপ্তিক অনুজ্ঞা-পত্ৰ দিয়া নহ'ব আৰু চৰকাৰে উচিত বিবেচনা কৰা যিকোনো ব্যৱস্থা ল'ব পাৰিব।

২৫। অনুজ্ঞা-প্ৰাপ্তিয়ে মীন মহলত উন্নত প্ৰণালীৰে মাছ পোহাৰ ব্যৱস্থা কৰাটো বাধ্যতামূলক হ'ব আৰু এই চৰ্ত ভঙ্গ কৰিলে চুক্তি ভঙ্গ কৰাটোহে সূচাব।

২৬। মূখ্য প্ৰজাতিৰ কাৰ্প মাছৰ বহুমুখী উৎপাদনৰ উদ্দেশ্যে জিলা মীন উন্নয়ন বিষয়াই নিৰ্দ্ধাৰণ কৰি দিয়া সংখ্যা আৰু অনুপাতিক হিচাপত বছৰত দুবাৰকৈ (আগষ্ট আৰু জানুৱাৰী মাহত) ১২৫মিঃমিঃ ৰ ওপৰৰ পোনা মীনমহলত মেলিব লাগিব।

২৭। মাছৰ প্ৰজাতিৰ সংৰক্ষণৰ বাবে মীনমহলৰ পানী কালিৰ ১ শতাংশ সংৰক্ষণ কৰিব লাগিব আৰু এই অংশত কোনো পৰিস্থিতিতেই বিলুপ্তপ্ৰায় প্ৰজাতিৰ মাছ মৰাকে ধৰি কোনো ধৰণৰ কাৰ্য্য সম্পাদন কৰিব নোৱাৰিব।

২৮। নিবিদাত প্ৰস্তাৱ কৰা বিভিন্ন বছৰৰ ৰাজহৰ আনুপাতিক সামঞ্জস্য থাকিব লাগিব আৰু কোনো অসামঞ্জস্য ধৰণেৰে ৰাজহ প্ৰস্তাৱ কৰিলে, চৰকাৰে নিবিদাকাৰীয়ে আগবঢ়োৱা সমুদায় ৰাজহৰ গড় ভিত্তিত বাৰ্ষিক ৰাজহ নিৰ্দ্ধাৰণ কৰি প্ৰস্তাৱ দিয়াৰ অধিকাৰ থাকিব।

২৯। অনুজ্ঞা-প্ৰাপ্তিয়ে নিয়োজিত মাছমৰীয়াৰ সামাজিক নিৰাপত্তাৰ বাবে বীমা কৰাটো বাধ্যতামূলক হ'ব।

৩০। অনুজ্ঞা-প্ৰাপ্তিয়ে কোনো ক্ষেত্ৰতেই মাছমৰীয়াক ৫০ শতাংশ আয়ৰ কম দিব নোৱাৰিব।

৩১। মাছ মৰাৰ ক্ষেত্ৰত বৃত্তিত মাছমৰীয়া স্থানীয় লোকক নিয়োগ কৰিব লাগিব। বাহিৰৰ লোকক নিয়োগ কৰিব নোৱাৰিব।

৩২। অনুজ্ঞা-প্ৰাপ্তিয়ে কিস্তিৰ ৰাজহ নিৰ্দ্ধাৰিত সময়ত আদায় নিদিলে চৰকাৰে বেংগল পাব্লিক ডিমাণ্ড ৰিকোভাৰী এক্ট ১৯১৩ ৰ (Bengal Public Demand Recovery Act, 1913) অধীনত বাকী ৰাজহ আদায় কৰাৰ ব্যৱস্থা ল'ব পাৰিব। তদুপৰি, বাকী ৰাজহ আদায়ৰ বাবে চৰকাৰে উচিত বিবেচনা কৰা যিকোনো আইনগত ব্যৱস্থা লোৱাৰ অধিকাৰ থাকিব।

৩৩। অনুজ্ঞা-প্ৰাপ্তিয়ে মীন মহল পৰিচালনা কৰি থকা সময়ছোৱাত মীন মহল খন যদি চৰকাৰে উন্নয়ন কৰে তেতিয়া উন্নয়ন সম্পূৰ্ণ কৰাৰ তৃতীয় বছৰৰ পৰা বৈজ্ঞানিক ভিত্তিত মৎস্য পালন কৰিব পৰা মীনমহলৰ অংশৰ পৰা প্ৰতি হেক্টৰৰ ৫০০ কেজি আৰু মীনমহলৰ বাকী অংশৰ প্ৰতি হেক্টৰৰ ২০০ কেজি উৎপাদনৰ হাৰ ধৰি লৈ সেই সময়ত মীনমহলৰ পাৰৰ ওপৰত ভিত্তি কৰি সেই বছৰৰ ৰাজহ নিৰ্দ্ধাৰণ কৰাৰ লগতে পৰৱৰ্তী বছৰত

শতকৰা ১০ ভাগ চক্ৰবৃদ্ধি হাৰত ৰাজহ বৃদ্ধি কৰা হয় আৰু অনুজ্ঞা-প্ৰাপ্তিয়ে উক্ত ধৰণে নিৰ্দ্ধাৰণ কৰা ৰাজহ দিবলৈ বাধ্য থাকিব। অন্যথা চৰকাৰে অনুজ্ঞা-পত্ৰ বাতিল কৰি বিকল্প ব্যৱস্থা লোৱাৰ অধিকাৰ থাকিব।

Signed by
Khanindra Choudhury
Date: 27-12-2023 18:40:07

জিলা আয়ুক্ত
গোৱালপাৰা

মেমো নং :ৰেভ/১৫৭৯/২০২৩-আৰইভি-জিএলপি/৫৪০ দিনাংক - ২৬ ডিচেম্বৰ, ২০২৩

স্মাৰক লিপি :

১। আয়ুক্ত সচিব, অসম চৰকাৰৰ মীন বিভাগ, দিচপুৰ, গুৱাহাটী-০৬ ৰ জ্ঞাতাৰ্থে।

২। আয়ুক্ত, বঙ্গাইগাওঁ / ধুবুৰী / কামৰূপ জিলা ৰ জ্ঞাতাৰ্থে।

৩। মুখ্য কাৰ্য্যবাহী বিষয়া, জিলা পৰিষদ, গোৱালপাৰা ৰ জ্ঞাতাৰ্থে।

৪। আৰক্ষী অধীক্ষক, গোৱালপাৰা ৰ জ্ঞাতাৰ্থে।

৫। সহকাৰী বন্দৱস্তী প্ৰাধিকাৰী / চক্ৰ বিষয়া, বালিজানা, মাটিয়া, দুধনৈ, ৰংজুলী, লক্ষীপুৰ ৰ জ্ঞাতাৰ্থে আৰু বহল প্ৰচাৰাৰ্থে।

৬। জিলা মীন উন্নয়ন বিষয়া, গোৱালপাৰা ৰ জ্ঞাতাৰ্থে আৰু বহল প্ৰচাৰাৰ্থে।

৭। জিলা তথ্য প্ৰযুক্তি বিজ্ঞান বিষয়া, গোৱালপাৰাৰ জ্ঞাতাৰ্থে আৰু ফেছবুক/ৱেবছাইটৰ জৰিয়তে বহুল প্ৰচাৰাৰ্থে।

৮। জিলা তথ্য আৰু জনসংযোগ বিষয়া, গোৱালপাৰাৰ জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰাৰ্থে। লগতে আগশাৰীৰ দৈনিক বাতৰি কাকতত জাননী খন প্ৰকাশৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

৯। খন্ড উন্নয়ন বিষয়া, বালিজানা, মাটিয়া, ৰংজুলী, কুসধোৱা, লক্ষীপুৰ, খৰমুজা আৰু জলেশ্বৰ ৰ জ্ঞাতাৰ্থে আৰু সমূহ গাওঁ পঞ্চায়ত এলেকাত বহল প্ৰচাৰাৰ্থে।

১০। ভাৰপ্ৰাপ্ত বিষয়া, গোৱাল পাৰা / মাটিয়া / ৰংজুলি আৰক্ষী চকীৰ জ্ঞাতাৰ্থে।

১১। উপ-পঞ্জীয়ক, জিলা সমবায় সহকাৰী পঞ্জীয়ন, গোৱালপাৰা ৰ জ্ঞাতাৰ্থে আৰু বহল প্ৰচাৰাৰ্থে।

১২। সম্পাদক, উকীল সন্থা, গোৱালপাৰা।

১৩। গোৱালপাৰা জিলাৰ মীনমহলৰ ইজাৰদাৰ সকললৈ।

১৪। কাৰ্য্যালয়ৰ নোটিচ বোৰ্ড।

জিলা আয়ুক্ত
গোৱালপাৰা